**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-06-2026 **Time :** 1100 Hrs.

রাজ্যৰ ৭ খন জিলাৰ ১১ টা ৰাজহ চক্ৰৰ ১০২ খন গাঁও বানৰ কবলত পৰিছে। বাৰিষাৰ আৰম্ভণিতে ধেমাজি, নলবাৰী, কাছাৰ, ডিব্ৰুগড়, বিশ্বনাথ, লখিমপুৰ আৰু বজালী জিলাৰ বহুকেইখন গাঁও বানৰ কবলত পৰিছে। ধেমাজি জিলাত সৰ্বাধিক ৫২ খন গাঁও বানত ক্ষতিগ্ৰস্ত হোৱাৰ খবৰ আহিছে। অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ তথ্য অনুসৰি নলবাৰী জিলাৰ মৰা পাগলাদিয়া নৈৰ সোঁফালৰ মথাউৰি ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইৰ আন্তঃগাঁথনিৰ ক্ষতি হৈছে। চলিত বানত ১৩ হাজাৰ ৯১৩ জন লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ৰাজ্যৰ ৭ খন জিলাত দুহেজাৰ ৬৪৭ হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে।

০০০০০০০

গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কালি প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত ভাৰতক আত্মনিৰ্ভৰ কৰি তুলিবলৈ ৰাজ্যৰ পৰিৱেশ তন্ত্ৰৰ বিকাশ সাধনৰ উদ্দেশ্যে ৰাজ্যিক পৰ্যায়ৰ এখন পৰামৰ্শমূলক কৰ্মশালা অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চল আৰু সীমান্তৰ ৰাজ্যসমূহক বিশেষ গুৰুত্ব দি ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভাগীয় সন্মিলনৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিৰক্ষা উৎপাদন বিভাগ আৰু অসম ঔদ্যোগিক উন্নয়ন নিগমে এই কৰ্মশালাখন অনুষ্ঠিত কৰে। কৰ্মশালাখন উদ্বোধন কৰি ৰাজ্যৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান, এক্ট ইষ্ট নীতি পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই কয়, যে অসমে এতিয়া প্ৰতিৰক্ষা ক্ষেত্ৰত উৎপাদন, মেৰামতি আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ লগতে প্ৰতিৰক্ষা প্ৰযুক্তিৰ দিশত সহযোগিতাৰ বাবে বিনিয়োগকাৰীক পৰ্যাপ্ত সুবিধা আগবঢ়াইছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণত আত্মনিৰ্ভৰতা প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় লক্ষ্যৰ অংশ আৰু অসমৰ ভৌগোলিক অৱস্থিতি দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। মন্ত্ৰীগৰাকীয়ে অসম এতিয়া দ্ৰুত বিকাশশীল ৰাজ্যত পৰিণত হোৱা বুলি মন্তব্য কৰি কয়, যে ২০২৫ত অনুষ্ঠিত এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণে লাভ কৰা ৫ কোটি ১৮ লাখ টকাৰ বিনিয়োগ প্ৰস্তাৱৰ ভিতৰত ৬০ শতাংশ অৰ্থাৎ ৩ কোটি ১০ লাখ মূল্যৰ প্ৰকল্পৰ কাম আগবাঢ়িছে।

**বাইট (বিমল বৰা)**

কৰ্মশালাখনত গুৱাহাটী আই আই টি, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, গুৱাহাটী আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী অধ্যাপক, প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ বিজ্ঞানী আৰু বিষয়াকে ধৰি ভালেসংখ্যক লোকে অংশ লয়।

০০০০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যান আজিৰেপৰা পৰ্যটকৰ বাবে বন্ধ কৰা হৈছে। প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে যোৱা ১ জুনত হাতীচাফাৰী আৰু ৰিভাৰ ৰাফ্‌টিং বন্ধৰ হোৱাৰ পাছত আজিৰ পৰা জীপ চাফাৰীও সম্পূৰ্ণৰূপে বন্ধ কৰা হৈছে। অৱশ্যে বাট-পথ সূচল হ'লে পুনৰ অক্টোবৰত প্ৰৱেশদ্বাৰ খোলাৰ সম্ভাৱনা আছে বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। অৱশ্যে মানাহ ৰাষ্ট্ৰীয়

উদ্যানৰ মুখ্য প্ৰৱেশদ্বাৰ বন্ধ হৈ পৰিলেও এইবাৰ ঘোং অৰ্থাৎ ব্লেক পেন্থাৰৰ বিচৰণ এলেকা ৰাষ্ট্ৰীয় উদ্যানৰ সীমান্ত দক্ষিণ পথ পৰ্যটকৰ বাবে খোলা থাকিব বুলি উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ বন বিষয়া প্ৰাঞ্জল তালুকদাৰে প্ৰকাশ কৰিছে।

০০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ডিফুৰ ছেছন হ'লত আজি পৰিষদৰ অধিৱেশন অনুষ্ঠিত হ'ব। পুৱা ১০ বজাৰ পৰা ৰাজু টিছ্'ৰ অধ্যক্ষতাত হ'বলগীয়া ২৫৪ সংখ্যক অধিৱেশনত পৰিষদৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা কৰাৰ লগতে উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰা হ'ব। শেহতীয়াকৈ অসম চৰকাৰৰ কাৰ্যবাহী সদস্য হিচাপে নিযুক্তি লাভ কৰা কাদম তেৰাংপি আৰু হেডছিং ৰংফাৰে আজি কাৰ্যভাৰ গ্ৰহণ কৰিব। দুয়োগৰাকী নতুন সদস্যক লৈ বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ কাৰ্যবাহী সমিতিত সদস্যৰ সংখ্যা ১৬ জনলৈ বৃদ্ধি পাব।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বেটী বাচাও, বেটী পঢ়াও অভিযানৰ অধীনত আৰু মহিলা আৰু শিশু বিকাশ বিভাগ তথা মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি বাল্যবিবাহ প্ৰতিৰোধী আইন ২০২৬, মিছন শক্তি আৰু লিংগ সমতা তথা লিংগভিত্তিক হিংসাত্মক কাৰ্য প্ৰতিৰোধ বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা কাৰ্যক্ৰম সমন্বয়ক পল্লৱী মৰাঙে আঁতধৰা এই কাৰ্যসূচীত অতিৰিক্ত আয়ুক্ত তথা জিলাখনৰ সহকাৰী আয়ুক্ত, মুখ্য আইনী প্ৰতিৰক্ষা অধিবক্তা, জিলা মিছন সমন্বয়ক, অসম গ্ৰামীণ জীৱিকা অভিযানৰ মাজুলীৰ কৰ্মচাৰীসকলকে ধৰি বহুলোকে অংশ লয়।

০০০০০০০০

ভাৰত আজি মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন মানচেষ্টাৰৰ এমিৰেটছ্ অল্ড ট্ৰেফ'ৰ্ডত ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি গ্ৰুপ-এৰ দ্বিতীয় স্থানত আছে। দলটোৱে ইতিমধ্যে খেলা ৩ খন খেলৰ ভিতৰত দুখনত জয়লাভ কৰিছে। বাংলাদেশেও এইপৰ্যন্ত দুখন খেলত জয়লাভ কৰিছে যদিও নেট ৰান ৰেটৰ ভিত্তিত দলটো সম্প্ৰতি গ্ৰুপ-এৰ চতুৰ্থ স্থানত আছে।

ভাৰতে প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয়খন খেলত ক্ৰমে পাকিস্তানক ৬৪ আৰু নেডাৰলেণ্ডছক ৯৫ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। অৱশ্যে তৃতীয়খন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৬ উইকেটৰ ব্যৱধানত পৰাস্ত হৈছিল।

০০০০০০০০

**সমাপ্ত**